1st Sem (Core)

classmate Date 07/11/23 Page

## সংস্কৃত ভাষাৰ উৎপত্তি আৰু বিকাশ :

শব্দগাঠনিকভাৱে সংস্কৃত শব্দৰ অৰ্থ হ'ল পৰিষ্কৃত বা পৰিশীলিত। পণ্ডিতসকলে আৰ্যাৱৰ্তত প্ৰচলিত প্ৰাচীনতম ভাষাটোকেই পণ্ডিতসকলে সংস্কৃত বুলি অভিহিত কৰিছে। পৃথিৱীত প্ৰচলিত প্ৰাচীন ভাষাসমূহৰ ভিতৰত অন্যতম হ'ল সংস্কৃত ভাষা। প্ৰাচীন যুগতেই বিস্তাৰ লাভ কৰা এই ভাষাতেই আৰ্যসকলৰ প্ৰাচীনতম গ্ৰন্থ ঋগ্বেদ ৰচনা কৰা হৈছিল। এই ভাষাৰ পৰিধি সুবিশাল। দণ্ডীয়ে তেওঁৰ কাব্যাদৰ্শ নামৰ গ্ৰন্থখনত সংস্কৃতৰ বিষয়ে এনেদৰে কৈছে – 'সংস্কৃতং নাম দৈৱী বাক্।' অৰ্থাৎ সংস্কৃত হ'ল দেৱতাসকলৰ ভাষা। তেওঁৰ মতে ব্ৰহ্মা আদি দেৱতাসকলে এই ভাষাতেই কথা পাতিছিল আৰু পৰৱৰ্তী সময়ত পাণিনি আদি পণ্ডিত তেওঁলোকে ৰচনা কৰা গ্ৰন্থৰ সহায়ত এই ভাষাটোক পৰিশীলিত কৰি তুলিছিল।

ভাষাতাত্ত্বিক গঠনৰ ভিত্তিত কব পাৰি যে সংস্কৃত বা প্ৰাচীন আৰ্যভাষাৰ উৎপত্তি হৈছে ইন্দো-ইউৰোপীয় আৰু ইন্দো-ইৰানীয় ভাষাৰ পৰা। ভাষাতাত্ত্বিক সুনীতিকুমাৰ চট্টোপাধ্যায়ৰ মতে সংস্কৃত ভাষাৰ উৎপত্তিৰ বিষয়ে আৰু বিকাশৰ বিষয়ে জানিবলৈ হ'লে এই ভাষাৰ স্তৰবোৰৰ বিষয়ে জানিব লাগিব। ইয়াৰ স্তৰসমূহ এনেধৰণৰ – ইন্দোইউৰোপীয় – ইন্দো-ইৰানীয় – প্ৰত্ন-আৰ্যভাষা –

কথ্য সংস্কৃত ভাষা - বৈদিক সংস্কৃত - লৌকিক সংস্কৃত - আধুনিক সংস্কৃত ।

সংস্কৃত ভাষাৰ মূল ~~উ~~ হৈছে ইন্দো-ইউৰোপীয় ভাষা । ইয়াত 'ইন্দো' শব্দটোৱে ইণ্ডিয়া বা ভাৰতবৰ্ষক বুজায় আৰু ইউৰোপ মহাদেশৰ দেশবিলাকক সামৰি লয়। ইন্দো-ইউৰোপীয় ভাষাটো ভাষাতত্ত্ববিদ সকলে কল্পিত ভাষা বুলি স্বীকাৰ কৰিছে যদিও ইয়াৰ বিপৰীতে কোনোধৰণৰ সাক্ষ্য প্ৰমাণ পোৱা নাই। সংস্কৃত, লেটিন, গ্ৰীক আদি প্ৰাচীন ভাষা সমূহৰ মূল হিচাপে সকলোৱে ইন্দো-ইউৰোপীয় ভাষাটোকেই স্বীকাৰ কৰি লৈছে।

ইন্দো ইউৰোপীয় ভাষাৰ প্ৰধান ভাগ দুটা — সতম্ আৰু কেন্তুম্। প্ৰকৃততে ইন্দো-~~ইউ~~ ইউৰোপীয় ভাষাৰ এই ভাগটো সম্পূৰ্ণৰূপে ভাষাতত্ত্বৰ আধাৰত নিৰ্ধাৰিত হৈছে। ইন্দো-ইউৰোপীয় ভাষাৰ তালব্য-ধ্বনিৰ পৰিৱৰ্তনৰ আধাৰতহে এই ভাগ দুটা স্থিৰ কৰা হৈছে। 'শত' শব্দৰ ইন্দো-ইউৰোপীয় ৰূপৰ ধ্বনি পৰিৱৰ্তনৰ ফালে লক্ষ্য ৰাখি ইউৰোপীয় ভাষাটোক সতম্ আৰু কেন্তুম্ এই দুটা ~~স্থিৰ কৰা~~ ভাগত ভগোৱা হৈছে। ইন্দো-ইউৰোপীয় ভাষাৰ সতম্ শাখাৰ প্ৰধান ভাষাবোৰ হ'ল - ইন্দো-ইৰানীয়, আলবানীয়, আৰ্মেনীয় আদি। আনফালে কেন্তুম্ শাখাৰ প্ৰধান ভাষাবোৰ হ'ল - গ্ৰীক্, লেটিন, জাৰ্মানিক্, কেলতিক্ আদি।

সংস্কৃত ভাষা ইন্দো-ইউৰোপীয় ভাষাৰ ইন্দো-ইৰানীয় ভাগৰ অন্তৰ্ভুক্ত। ইন্দো ইৰানীয় ভাষাৰ অধ্যয়নৰ পৰা জনা যায় যে এই ভাষাটো এটা সময়ত দুটা দিশত গতি কৰে। ইয়াৰ এটা হ'ল প্ৰত্ন-ইৰানীয় য'ৰ পৰা প্ৰাচীন ফাৰ্চী ভাষাৰ উৎপত্তি হয় আৰু আনটো হ'ল প্ৰত্ন-ভাৰতীয় আৰ্য, যাৰ পৰা উৎপত্তি হয় প্ৰাচীন ভাৰতীয় আৰ্য ভাষা বা সংস্কৃতৰ। সেই কাৰণে ইন্দো-ইৰানীয় ভাগৰ অন্তৰ্ভুক্ত ইন্দো-এৰিয়ান ভাষাৰ প্ৰাচীন ভাগটোকেই সংস্কৃত বুলি কোৱা হয়। এই ভিত্তিতেই সংস্কৃত ভাষাক অ'ল্ড ইন্দো এৰিয়ান (Old Indo-Aryan) বা সংক্ষেপে OIA বুলি কোৱা হয়। ইন্দো-ইউৰোপীয় ভাষাৰ অন্তৰ্গত সংস্কৃত, ~~ভাষা~~ গ্ৰীক, লেটিন আদি ভাষাসমূহত প্ৰকৃতি-প্ৰত্যয়গত অৰ্থ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। যি সমূহ ভাষাত প্ৰকৃতি প্ৰত্যয়গত অৰ্থৰ সহায়ত শব্দবোৰে বাক্যৰ অৰ্থ গঠন কৰে অৰ্থাৎ বাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ প্ৰকৃতি প্ৰত্যয়গত অৰ্থৰ লগত বাক্যৰ সম্পূৰ্ণ অৰ্থৰ পূৰ্ণ সামঞ্জস্য থাকে সেইবোৰক সমন্বয়ী ভাষা বোলে। সংস্কৃত ভাষা হ'ল সমন্বয়ী ভাষাৰ এক অন্যতম উদাহৰণ।

ওপৰৰ আলোচনাৰ পৰা জনা যায় যে ভাৰতীয় আৰ্যভাষা বুলিলে যি সংস্কৃতৰ ধাৰণা হয় তাৰ আৰম্ভণি বৈদিক সংস্কৃতৰ পৰাই ধৰা হয়। এই ভাষাটো ইন্দো-ইৰানীয় ভাষাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আৰু ইন্দো-ইৰানীয় ভাষাৰ

জৰিয়তে এইটো ইন্দো-ইউৰোপীয় ভাষাৰ সন্তান তুল্য পোৱা হয়।

প্ৰাচীন ভাৰতীয় আৰ্যভাষা বা সংস্কৃত ভাষাৰ বিকাশ স্থিৰ নহয়, ই সময়ৰ লগে লগে সলনি হৈ আছে। বৈদিক কালৰ পৰা আৰম্ভ কৰি পানিনিৰ সময়লৈকে এই ভাষাই চূড়ান্ত ছন্দ লোৱাৰ আগতে কেইবাটাও পৰ্যায় পাৰ হৈ আহিছে। যদিও বহু সংখ্যক নহয় তথাপিও পানিনিৰ পিছৰ সময়ৰ কিছুমান পৰিৱৰ্তনও লক্ষ্য কৰা যায়। এই পৰিৱৰ্তন সমূহ বিভিন্ন স্থান আৰু সময়ত বিকশিত হোৱা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সাহিত্যত লিপিবদ্ধ কৰা হৈ আছে। ~~এই বিষয়ে চাব পালে~~ ঋগ্বেদৰ যাত্ৰা আৰম্ভ কৰা সংস্কৃত ভাষাই বহু স্তৰ পাৰ কৰি বৰ্তমানৰ অৱস্থা পাইছেহি। সংস্কৃত ভাষাৰ বিকাশস্তৰৰ দৃষ্টিভংগীৰে বিভিন্ন বিদ্বানে বিভিন্ন ধৰণে এই ভাষাৰ ঐতিহাসিক কাল বিভাজন কৰিছে — (১) আদিকাল (বৈদিকসংহিতা আৰু সাহিত্যৰ কাল)

(২) মধ্যকাল, (ষড় দৰ্শনশাস্ত্ৰ, বেদাংগগ্ৰন্থ, কাব্য তথা কিছুমান প্ৰমুখ সাহিত্যশাস্ত্ৰ গ্ৰন্থৰ নিৰ্মাণ)

(৩) পৰৱৰ্তী কাল, (1800-1900 খ্ৰীষ্টাব্দৰ পৰা বৰ্তমানৰ সময়)

আদিকাল ছোৱা বুলিলে ঋগ্বেদসংহিতাক আদি কৰি সামবেদ, যজুৰ্বেদ, অথৰ্ববেদ সংহিতা

ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক, বেদাঙ্গ সমূহক বৈদিক সাহিত্য বুলি কোৱা হয়। এই সমূহত প্ৰয়োগ হোৱা ভাষাক বৈদিক সংস্কৃত বুলি কয়। ~~এই কালৰ~~ ~~পৰাহে~~ এই সংস্কৃত ভাষাৰ কিছুমান বৈশিষ্ট্য আছে সেইবাবে বাবে সমগ্ৰ সংস্কৃত ভাষাৰ ভিতৰত বৈদিক সংস্কৃত ভাষাৰ এটি সুকীয়া স্থান আছে। ~~খ্ৰীষ্টপূৰ্ব চাৰি আৰম্ভ কৰি~~ ~~সাহিত্যলৈকে ব্ৰহ্মসমূহত~~ বা বৈদিক সংস্কৃত ভাষা ব্যৱহাৰৰ সময়চোৱাক বৈদিক কাল বুলি কোৱা হয়। কিন্তু ৰামায়ণ-মহাভাৰত আদি গ্ৰন্থৰ ভাষাটো যদিও সংস্কৃত, ই বৈদিক সংস্কৃতৰ দৰে নহয়। প্ৰকৃততে ৰামায়ণক আদিকাব্য বুলি কোৱাৰ কাৰণটোৱেই হ'ল যে, লৌকিক সংস্কৃত ভাষাত লিখা এইখন গ্ৰন্থকেই পণ্ডিতসকলে প্ৰথম ৰচনা বুলি গ্ৰহণ কৰিছে। ৰামায়ণ-মহাভাৰতৰ কালৰ পৰা, লৌকিক সংস্কৃত ভাষাৰ কাল গণনা কৰিলেও বেদাঙ্গ সাহিত্যৰ বহু পিছলৈকে বৈদিক ভাষাত গ্ৰন্থ ৰচনা অব্যাহত থাকে। ৰামায়ণ মহাভাৰত পুৰাণৰ পিছত কালিদাস ~~আদিৰ~~, ভাৰবি, ভৱভূতি আদিৰ লৌকিক সংস্কৃত ভাষাত ৰচনা কৰা গ্ৰন্থৰাজি সমূহৰ সাম্ৰাজ্য বিস্তাৰ ঘটিছিল। ~~বৈদিক~~ বৈদিক যুগৰ পৰা আৰম্ভ কৰি বৰ্তমান সময়লৈকে এই ভাষাটিয়ে প্ৰায় ৩৫০০ বছৰৰ ইতিহাস সমৃদ্ধ কৰিছে। এই সংস্কৃত ভাষাৰ মাধুৰ্য অপৰিসীম। সংস্কৃত ভাষা অতি প্ৰাচীন হৈও বৰ্তমান কালতো প্ৰচলিত হৈ আছে। ~~প্ৰাচীন ভাষাসমূহৰ ভিতৰত সংস্কৃত ভাষাৰ সুকীয়া~~

দেৱনাগৰী লিপি: প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ অহা এই ভাষা টোৱে আজিও নিজৰ মৰ্যাদা লৈ জীয়াই আছে। কেৱল ভাৰতবৰ্ষতেই নহয় সমগ্ৰ বিশ্বৰ বিভিন্ন ঠাইত সংস্কৃত ভাষা অধ্যয়ন আৰু অধ্যাপনা চলি আছে। ইতিহাস সম্বলিত এই ভাষা টোৱে বিভিন্ন স্তৰ অতিক্ৰম কৰি বৰ্তমান সময়তো ই জীবিত হৈ আছে বুলি কব পাৰি।